**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-01-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি দ্বিতীয় দিনা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে পথৰুঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কৃষি মেলা, কৃষক বিদ্ৰোহ বিষয়ৰ গ্ৰন্থ, স্মৰণিকা, আলোকচিত্ৰ ইত্যাদিৰ প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা মুকলি কৰাৰ লগতে কৃষক ছহিদ প্ৰকল্পত এটা শীততাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ উদ্বোধন কৰা হয়। পুৱাৰ ভাগত পাথৰিঘাটৰ কৃষক ছহিদ বাকৰিত **পথৰুঘাটে ৰিঙিয়ায়** শীৰ্ষক প্ৰাইজমাণি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰবীণ লোকশিল্পীসকলৰ সন্মিলন আৰু শিল্পী পেন্সন প্ৰাপকসকলক সম্বৰ্ধনা জনোৱাকে ধৰি আন বিভিন্ন কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

কাইলৈ তৃতীয় তথা অন্তিম দিনটোত পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ পাছত দিনৰ চাৰে ১১ বজাত মুকলি সভাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া এই সভাত কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকটো কাইলৈৰ মুকলি সভাতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কাইলৈ সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে বুলি আকাশবাণীৰ দৰঙৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

———বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে বিটিচিত শান্তি, সম্প্ৰীতি আৰু উন্নয়নৰ লক্ষ্যৰে আজি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। বড়োলেণ্ড আঞ্চলিক পৰিষদ, বি টি চিৰ উদ্যোগত কোকৰাঝাৰত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ প্ৰথম দিনা এটা মটৰ চাইকেল সমদল উলিওৱা হয়। আজি বিয়লিৰ ভাগত বডোফা সাংস্কৃতিক প্ৰকল্পত বড়োলেণ্ড এচিভাৰ্ছ এৱাৰ্ড সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত অঞ্চলটোৰ উন্নয়নৰ প্ৰতি বিশেষ বৰঙণি আগবঢ়োৱা বিভিন্ন বিভাগৰ সৈতে জড়িত ৮৫ গৰাকী ব্যক্তিৰ লগতে আন ৫৬ গৰাকী ব্যক্তিক স্বীকৃতি প্ৰদান কৰি সন্মান জনোৱা হ'ব।

কাইলৈ দ্বিতীয় দিনটোত কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত মুকলি সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে তেওঁ হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰিব।

চিৰাং জিলাৰ চিদলী কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি নিখিল বড়ো ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে দিনজোৰা কাৰ্যসূচীৰে পঞ্চম বি টি আৰ শান্তি চুক্তি দিৱস পালন কৰে। অনুষ্ঠানত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ উপৰি ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে এই

দিৱস উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে। অনুষ্ঠানত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োৱে বি টি আৰ চুক্তিৰ আন দফাসমূহ ৰূপায়ণ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই কয়, যে এই চুক্তিৰ জৰিয়তে বি টি আৰত শান্তিৰ পৰিৱেশ বিৰাজ কৰাৰ লগতে শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট উন্নতি হৈছে।

তামুলপুৰ জিলাতো আজি বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে ইউ পি পি এল দলে মটৰ চাইকেল সমদল উলিয়ায়। ইয়াৰ পূৰ্বে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে বি টি আৰ শান্তিচুক্তিৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ধন্যবাদ জনায়। তেওঁ লগতে অনাগত দিনত বি টি আৰবাসীয়ে শান্তি আৰু সম্প্ৰীতিৰে অঞ্চলটোক আগবঢ়াই লৈ যোৱাৰ পণ ল'ব লাগে বুলি উল্লেখ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাত বিবেকানন্দ কেন্দ্ৰৰ আনন্দালয় নামৰ এটা নতুন ভৱন মুকলি কৰে। এই ভৱন মুকলি কৰি মুখ্যমন্ত্ৰীয়ে মহান চিন্তাবিদ আৰু দাৰ্শনিক স্বামী বিবেকানন্দলৈ গভীৰ প্ৰণিপাত জনায়। অনুষ্ঠানত দিয়া ভাষণত ড° শৰ্মাই কয়, যে চাহ জনগোষ্ঠী আৰু জনজাতীয় সমাজৰ সেৱাৰ বাবে উৎসৰ্গিত এই আনন্দালয় ভৱনে দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে জনজাতীয় সমাজখনক আগবঢ়াই লৈ যাব। এনেধৰণৰ আনন্দালয় ভৱনসমূহে ইতিমধ্যে ৰাজ্যৰ চাহ বাগিচাৰ উঠি অহা প্ৰজন্মৰ লগতে জনজাতীয় সমাজখনলৈ শিক্ষামূলক সেৱা আগবঢ়াই আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যত বৰ্তমান ২২০ টা এনে কেন্দ্ৰ আছে।

০০০০০০০

অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনলৈ ৩ দিন বাকী থকা সময়ত অধিৱেশনৰ আদৰণি সমিতিয়ে প্ৰতিনিধিসকলক আদৰিবলৈ সাজু হৈছে। পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী উচ্চ মাধ্যমিক বিদ্যালয়ত ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া দ্বি-বাৰ্ষিক পাঠশালা অধিৱেশনৰ অসম সাহিত্য সভাৰ ২০২৩-২৫ বৰ্ষৰ অষ্টম তথা অন্তিমখন কাৰ্যনিৰ্বাহক সভা ৩১ জানুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, ১ ফেব্ৰুৱাৰীৰ সন্ধিয়া হ'বলগীয়া প্ৰতিনিধি সভাখনলৈ প্ৰতিগৰাকী কাৰ্যনিৰ্বাহক সদস্য তথা প্ৰতিনিধিকে কিউ আৰ ক'ড ব্যৱস্থাৰে বৈঠকৰ স্থান উলিয়াই লোৱাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য এইবাৰ অসম সাহিত্য সভাৰ প্ৰায় ৩০০ কাৰ্যনিৰ্বাহক সদস্য আৰু পাঠশালা অধিৱেশনলৈ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। প্ৰতিনিধিসকলৰ থকা-খোৱাৰ ব্যৱস্থাৰ উপৰিও ঘৰলৈ উভতি যোৱাৰ সময়ত কম্বল, গাৰু আৰু বিছনা চাদৰযুক্ত এটা বেগ লৈ যাব পাৰিব বুলি আদৰণি সমিতিয়ে জানিবলৈ দিয়ে।

০০০০০০

**সমাপ্ত**